# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 19-05-2024

**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::**

১।	লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ। কাইলৈ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিত ভোটগ্ৰহণ।

২।	পঞ্চম পৰ্যায়ত বিজেপিৰ ৰাজনাথ সিং, স্মৃতি ইৰাণী, কংগ্ৰেছৰ ৰাহুল গান্ধীৰ দৰে আগশাৰীৰ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয়।

৩।	নিৰ্বাচনৰ ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে পূৰ্ণ গতিত প্ৰচাৰ অব্যাহত। জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীৰ ঝাৰখণ্ডৰ জামছেদপুৰত নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ।

*আৰু*

৪।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত পাঞ্জাব কিংছৰ চানৰাইজাৰ্ছ হায়দৰাবাদক ২১৫ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ। গুৱাহাটীৰ বৰ্ষাপাৰাত হ'বলগীয়া দ্বিতীয়খন খেলত ৰাজস্থান ৰয়েলছ-কোলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন।

ooooo

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কাইলৈ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিত হবলগীয়া ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। তৃতীয় পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩টা, পশ্চিমবংগৰ ৭টা, ঝাৰখণ্ডৰ ৩টা, বিহাৰ আৰু ওড়িশাৰ ৫ টাকৈ লগতে জম্মু কাশ্মীৰ তথা লাডাখত এটাকৈ সমষ্টিত ভোটগ্ৰহণ হ'ব। এই পৰ্যায়ত মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। এই পৰ্যায়ত প্ৰতিদ্বন্দিতা আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসমূহৰ ভিতৰত বিজেপিৰ ৰাজনাথ সিং, স্মৃতি ইৰাণী, পিয়ুছ গোৱেল, কংগ্ৰেছৰ ৰাহুল গান্ধী, কে এল শৰ্মা, এন চিৰ ওমৰ আব্দুল্লা আৰু এল জে পি ৰামৱিলাসৰ চিৰাগ পাছোৱান অন্যতম।

oooo

ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডৰ জামছেদপুৰত দলৰ প্ৰাৰ্থী বিদ্যুৎ বৰণ মাহাতোৰ হৈ প্ৰচাৰ চলায়। এইবাৰৰ লোকসভা নিৰ্বাচনে দেশৰ বৰ্তমান আৰু ভৱিষ্যত শক্তিশালী কৰি তুলিব বুলি শ্ৰী মোদীয়ে দাবী কৰে। তেওঁ দেশৰ উন্নয়নৰ বাবে ব্যৱসায়ীসকল অতিকে গুৰুত্বপূৰ্ণ বুলিও মন্তব্য কৰে। এই প্ৰসংগত কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি শ্ৰীমোদীয়ে বিৰোধী দলটোৱে ব্যৱসায়ী সম্প্ৰদায়ক

দেশৰ শত্ৰু হিচাপে গণ্য কৰে বুলি দাবী কৰে। ব্যৱসায়ী আৰু বিনিয়োগকাৰীসকলৰ বিৰোধিতা কৰিলে জনসাধাৰণৰ কৰ্মসংস্থাপন লাভৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হ'ব বুলি জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে মন্তব্য কৰে। শ্ৰী মোদীয়ে বৰ্তমানৰ নিৰ্বাচনৰ প্ৰসংগত অৰ্থনীতি, যুৱ প্ৰজন্মৰ বাবে নতুন সুযোগ, কৃষি, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক লৈ হোৱা আলোচনাসমূহৰ বিৰোধিতা কৰাৰ বাবে কংগ্ৰেছ আৰু জে এম এম এনক তীব্ৰ সমালোচনা কৰে। ঝাৰখণ্ডৰ জামছেদপুৰত অনুষ্ঠিত নিৰ্বাচনী সমাৱেশৰ পাছত শ্ৰী মোদী পশ্চিমবংগলৈ ৰাওনা হয়। ৰাজ্যখনৰ পুৰুলীয়া আৰু বিষ্ণুপুৰত দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ পাছত বিজেপি নেতাজনে মেদিনীপুৰত অন্য এটা নিৰ্বাচনী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে আজি সন্ধিয়া নিৰ্বাচনী ভ্ৰমণসূচীৰে শ্ৰী মোদী ভুবনেশ্বৰত উপস্থিত হ'ব। কাইলৈ পুৰীত তেওঁ এটা নিৰ্বাচনী ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

ইফালে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশ আৰু বিহাৰত নিৰ্বাচনী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজ আৰু জৌনপুৰৰ নিৰ্বাচনী সভাত ভাষণ দিয়াৰ পাছত বিজেপি নেতাগৰাকীয়ে বিহাৰৰ বেটিয়াত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ইফালে ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেয়ে কংগ্ৰেছৰ পঞ্চমুখী ন্যায় আৰু ২৫টা প্ৰতিশ্ৰুতিৰ বিষয়ে জনসাধাৰণক অৱগত কৰে।

oooo

আইন আৰু ন্যায় মন্ত্ৰালয়ে দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত আয়োজন কৰা **ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰশাসনত ভাৰতত প্ৰগতিশীল পথ** শীৰ্ষক সন্মিলনখনৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানত অসমৰ মাননীয় ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰোপৰি ন্যায়াধীশ মানস ৰঞ্জন পাঠক, অৱসৰপ্ৰাপ্ত ন্যায়াধীশ মীৰ আলফাজ আলী, ভাৰতীয় আইন প্ৰতিষ্ঠানৰ সঞ্চালক অধ্যাপক ভি কে আহুজাকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অনুষ্ঠানটোত অংশগ্ৰহণ কৰে।

সন্মিলনৰ কালি প্ৰথম দিনাৰ উদ্বোধনী কাৰ্যসূচীত আইন আৰু ন্যায় মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে অংশগ্ৰহণ কৰিছিল।

oooo

জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ এখন বৈঠক আজি গুৱাহাটীৰ খানাপাৰাৰ বড়োলেণ্ড অতিথিশালাত অনুষ্ঠিত হয়। বিভিন্ন জনজাতীয় সংগঠনসমূহৰ নেতৃবৃন্দৰ উপস্থিতিত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছত এখন সংবাদমেলত সমিতিৰ মুখ্য সমন্বয়ক তথা সদৌ অসম জনজাতীয় সংঘৰ সম্পাদক আদিত্য খাখলাৰীয়ে কয় যে, জুলাইৰ প্ৰথম ভাগত গুৱাহাটীত ৰাষ্ট্ৰীয় শিক্ষানীতি সন্দৰ্ভত ৰাজ্যৰ বিশিষ্ট শিক্ষাবিদসকলৰ উপস্থিতিত এখন শিক্ষা সন্মিলনৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণকামী আঁচনি সন্দৰ্ভত জনজাতি সমাজক সজাগ আৰু সচেতন কৰাৰ বাবে এখন কল্যাণকামী সন্মিলন আয়োজনৰো সিদ্ধান্ত লোৱা হৈছে। তদুপৰি জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে আওহতীয়া জনজাতীয় অধ্যুষিত গাওঁসমূহ চিনাক্ত কৰি ২০০ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন, বনাঞ্চলত থকা লোকসকলক বন অধিকাৰ প্ৰদান আদি সন্দৰ্ভত দাবী জনায়।

oooo

উত্তৰ পূৱ সীমান্ত ৰেলৰে গ্ৰীষ্মকালত যাত্ৰীৰ অতিৰিক্ত ভীৰ নিয়ন্ত্ৰণৰ বাবে কেইখনমান ৰেলৰ চলাচল নাইবা যাত্ৰাৰ সময় বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। এই অনুসৰি গুৱাহাটীৰ পৰা বেংগালুৰু অভিমুখী প্ৰতি বুধবাৰে

পুৱা ৬ বজাত গুৱাহাটীৰ পৰা যাত্ৰা কৰি শুকুৰবাৰে দিনৰ ১০ বজাত বেংগালুৰুত উপস্থিত হোৱা বিশেষ ৰেলখন ২৯ মে'ৰ পৰা ১২ জুন পৰ্যন্ত চলাচলৰ বাবে সম্প্ৰসাৰিত কৰা হৈছে। ওভতনি যাত্ৰাত ৰেলখনে প্ৰতি দেওবাৰে চাৰে বাৰ বজাত বেংগালুৰুৰ পৰা যাত্ৰা কৰি পুৱা চাৰে পাচ বজাত গুৱাহাটীত উপস্থিত হোৱা এই বিশেষ ৰেলখন ২৬ মে'ৰ পৰা ৯ জুন পৰ্যন্ত চলাচলৰ বাবে সম্প্ৰসাৰিত কৰা হ'ব। একেদৰে মায়চ'ৰ মুজফ্‌ফৰপুৰ সংযোগী ৰেলখন মায়চ'ৰৰ পৰা প্ৰতি সোমবাৰে দিনৰ চাৰে দহ বজাত যাত্ৰা আৰম্ভ কৰি বুধবাৰে দিনৰ ডেৰ বজাত মুজফ্‌ফৰপুৰত উপস্থিত হৈছিল যদিও এই ৰেলখন ১০ জুন পৰ্যন্ত চলাচলৰ বাবে সম্প্ৰসাৰণ কৰা হৈছে। ওভতনি যাত্ৰাৰ দিশত এই ৰেলখন প্ৰতি বৃহস্পতিবাৰে দিনৰ এখ বজাত মুজফ্‌ফৰপুৰৰ পৰা যাত্ৰা আৰম্ভ কৰি শনিবাৰে বিয়লি ৪ বাজি ৪০ মিনিটত মায়চ'ৰত উপস্থিত হৈছিল। এই ৰেলখন ১৩ জুন পৰ্যন্ত চলাচলৰ বাবে সম্প্ৰসাৰণ কৰা হৈছে।

oooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত গৰাখহনীয়াই ভাবুকিৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ধীৰেৰচৰ তাৰাংগাপুৰ গাওঁৰ ৰাইজে বাৰিষাৰ পূৰ্বে চম্পাৱতী নৈৰ খহনীয়াৰ পৰা সমস্যাৰ সন্মুখীন হৈছে। এই গাওঁখনত পূৰ্বেও কেইবাহাজাৰ বিঘা কৃষিভূমি আৰু ভালেসংখ্যক পৰিয়ালৰ বাসগৃহ নৈখনত জাহ গৈছে। অঞ্চলটোৰ ৰাইজে বিভাগীয় কৰ্তৃপক্ষক এই সমস্যাৰ সমাধান বিচাৰি আহ্বান জনাইছে।

oooo

প্ৰকৃতিপ্ৰেমী সংগঠন **আৰণ্যক**ৰ উদ্যোগত ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল আৰু গঁড় সুৰক্ষাৰ বাবে কাজিৰঙাৰ পৰা ওৰাঙলৈ এটা সজাগতামূলক চাইকেল ৰেলীৰ আয়োজন কৰা হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ সহযোগত আয়োজন কৰা ৰেলীটোত ১০ জনীয়া চাইক্লিষ্টৰ এটা দলে অংশগ্ৰহণ কৰে। বোকাখাটত অৱস্থিত ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালকৰ কাৰ্যালয়ৰ পৰা ৰেলীটোৱে আজি যাত্ৰা আৰম্ভ কৰে। সংৰক্ষণৰ অধিকাৰ শীৰ্ষক বাৰ্তাৰে পৰিচালিত ৰেলীটোৱে তিনি দিনীয়া কাৰ্যসূচীৰ প্ৰথম দিনা ৯০ কিলোমিটাৰ অতিক্ৰম কৰি কলিয়াভোমোৰাত নিশা যাপন কৰিব। কাইলৈ পুৱা পুনৰ যাত্ৰা আৰম্ভ কৰি ওৰাঙলৈ ৰাওনা হ'বলগীয়া দলটোৱে যাত্ৰাৰ পথত বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যাঘ্ৰ সংৰক্ষণ আৰু গঁড় সুৰক্ষাৰ ক্ষেত্ৰত সজাগতামূলক সভা অনুষ্ঠিত কৰিব। মঙলবাৰে ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা যাত্ৰা আৰম্ব কৰি বল্লৱভাই পেটেল হাইস্কুলত সজাগতামূলক সভাৰ আয়োজনেৰে এই চাইকেল ৰেলীৰ সামৰণি মৰা হ'ব।

oooo

সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে আজি নলবাৰী নাট্য মন্দিৰত দিনজোৰা কাৰ্যসূচীৰে **জনপদ-সংস্কৃত সন্মিলন** আয়োজন কৰা হয়। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সন্মিলনখন নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰহ্লাদ আৰ যোশীয়ে উদ্বোধন কৰে। সন্মিলনত উপস্থিত বিশিষ্ট বক্তাসকলে সংস্কৃত ভাষাৰ ইতিহাস আৰু বৰ্তমান সময়ৰ ইয়াৰ প্ৰাসংগিকতা সম্পৰ্কে সমবেতসকলক অৱগত কৰে। উল্লেখযোগ্য যে সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে জনমুখী উপযোগীতাৰ প্ৰয়াসেৰে প্ৰতি তিনি বছৰৰ অন্তৰে অন্তৰে এই সন্মিলনখন ভাৰতৰ বিভিন্ন স্থানত অনুষ্ঠিত কৰা হয়।

oooo

বাংলাদেশৰ সীমান্তৱৰ্তী মানকাচৰ মহাবিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেঁচুসাৰ উৎপাদন আৰু ব্যৱহাৰ বিষয়ক এখন প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ পৰিৱেশ সংঘৰ সহযোগত আৰু পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত কৰ্মশালাখনত

মহকুমা কৃষি বিষয়াকে ধৰি ভালেকেইজন কৃষি বিশেষজ্ঞ উপস্থিত থাকে। কৌশল আৰু দক্ষতা বিকাশৰ উদ্দেশ্যেৰে আয়োজিত কৰ্মশালাখনত ছাত্ৰ-ছাত্ৰীসকলক জৈৱিক পদ্ধতিৰে কেঁচুসাৰ প্ৰয়োগ কৰিব পৰা উন্নতমানৰ কৃষিকাৰ্যৰ সন্দৰ্ভত অৱগত কৰা হয়। এই প্ৰশিক্ষণত প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সহকাৰী সম্পাদক, মুক্তি যুঁজাৰু আৰু বড়ো ভাষাৰ সৈনিক হিচাপে স্বীকৃত যোগেন্দ্ৰ কুমাৰ বসুমতাৰীৰ ১০৫ সংখ্যক জন্ম দিৱস আজি পালন কৰা হয়। চিৰাং জিলাৰ বাসুগাঁও মহাবিদ্যালয়ৰ সমীপৰ স্মৃতি উদ্যানত আয়োজিত স্মৃতিচাৰণ অনুষ্ঠানত পতাকা উত্তোলন, বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিশিষ্ট বড়ো সাহিত্যিক গৰাকীৰ সোঁৱৰণত গঠন কৰা ন্যাসৰ কাৰ্যপন্থা সম্পৰ্কেও আজিৰ অনুষ্ঠানত আলোচনা কৰা হয়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ আজি অন্তিম দিনাৰ প্ৰথমখন খেলত চানৰাইজাৰ্ছ হায়দৰাবাদ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছট জিকি পাঞ্জাব কিংছে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। নিৰ্ধাৰিত ২০ অভাৰত দলটোৱে ৫টা উইকেট হেৰুৱাই ২১৪ ৰান কৰিবলৈ সমৰ্থ হয়। ২১৫ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি বাতৰি যুগুত কৰাৰ পৰলৈকে চানৰাইজাৰ্ছ হায়দৰাবাদে ১৪ অভাৰত ৩টা উইকেট হেৰুৱাই ১৭৬ ৰান সংগ্ৰহ কৰি খেলি আছে।

আনহাতে, গুৱাহাটীৰ বৰ্ষাপাৰাত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ৰাজস্থান ৰয়েলছ্-কোলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ কৰি কোৱালিফায়াৰ ওৱানত স্থান নিশ্চিত কৰাৰ চেষ্টা চলাব।

০০০০

বৰপেটাত আজিৰে পৰা জিলা পৰ্যায়ৰ ডবা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ পূৰ্বে অনুষ্ঠিত এই প্ৰতিযোগিতাত আজি ৫ টা শাখাত অনুষ্ঠিত হয়। বৰপেটাৰ লালবাহাদুৰ শাস্ত্ৰী পুথিভঁড়ালত ৭ বছৰ অনুৰ্ধ, ৯ বছৰ, ১১ বছৰ, ১৩ বছৰ আৰু ১৫ বছৰ অনুৰ্ধ ল'ৰা-ছোৱালীৰ মাজত আজি এই প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। আটাইকেইটা শাখাত জিলাখনৰ কমেও কুৰি গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাৰ বিজয়ীসকলে গুৱাহাটীত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

০০০০

দেশত চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনৰ যোৱা ১৩ মে'ত অনুষ্ঠিত ভোটগ্ৰহণৰ ৬৯ শতাংশৰো অধিক ভোটদান, পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান, গুৱাহাটীত আইন আৰু ন্যায় মন্ত্ৰালয়ৰ উদ্যোগত বিশেষ সন্মিলন, চিবিএছচিৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ফলাফল ঘোষণাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৯৬টা সমষ্টিত যোৱা ১৩ মে'ত লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ শান্তিপূৰ্ণভাৱে সামৰণি পৰে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি সমগ্ৰ দেশত ৬৯ দশমিক ১-৬ শতাংশৰো অধিক ভোটদান হৈছে। অন্ধ্ৰ প্ৰদেশত ৮০ শতাংশৰ অধিক, বিহাৰত ৫৮ শতাংশৰ অধিক, জম্মু-কাশ্মীৰত প্ৰায় ৩৮ দশমিক ৪-৯ শতাংশ, ঝাৰখণ্ডত প্ৰায় ৬৬ শতাংশ, মধ্যপ্ৰদেশত

প্ৰায় ৭২ শতাংশ, মহাৰাষ্ট্ৰত ৬২ দশমিক ২-১, ওড়িশাত ৭৫ দশমিক ৬-৮, তেলেংগানাত ৬৫ দশমিক ৬-৭, উত্তৰ প্ৰদেশত ৫৮ দশমিক ২-২ আৰু পশ্চিম বংগত ৮০ দশমিক ২-২ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। ইফালে কাইলৈ পঞ্চম পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

০০০০

দেশৰ নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ প্ৰথম ৪টা পৰ্যায়ত ৪৫ কোটি ১০ লাখ লোকে ভোটাধিকাৰ সাব্যস্ত কৰিছে বুলি এটা বিবৃতিযোগে প্ৰকাশ কৰে। আয়োগৰ বিবৃতি অনুসৰি প্ৰথম ৪টা পৰ্যায়ত ভোটদানৰ হাৰ হৈছে ৬৬ দশমিক ৯-৫ শতাংশ। ভোটদানৰ হাৰ বৃদ্ধি হোৱাটোৱে বিশ্ববাসীলৈ এক বাৰ্তা প্ৰেৰণ কৰিছে বুলি আয়োগে প্ৰকাশ কৰে। ইয়াৰ লগতে বাকী থকা ৩টা পৰ্যায়টো ভোটাৰসকলক বৃহৎ হাৰত ভোটদান কৰিবলৈ আয়োগে আহ্বান জনাইছে। বাকী থকা ৩টা পৰ্যায়ত ভোটৰ হাৰ বৃদ্ধি কৰিবলৈ আয়োগে ভোটাৰসকলক সুবিধা প্ৰদানৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিছে। আনহাতে ভোটাৰসকলক সজাগ কৰিবলৈ আয়োগে জনপ্ৰিয় শিল্পীৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত সংস্থাৰো সহায় লৈছে।

০০০

কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণক নিৰ্দিষ্ট সময়ৰ ভিতৰত ন্যায় প্ৰদানৰ লক্ষ্যৰে ঔপনিবেশিক যুগৰ ফৌজদাৰী ন্যায় ব্যৱস্থাৰ ৰূপান্তৰ সাধন কৰিছে  বুলি কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কালি গুৱাহাটীত প্ৰকাশ কৰে। মন্ত্ৰালয়ৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ আই আই টি গুৱাহাটীত আয়োজিত **ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰশাসনত ভাৰতত প্ৰগতিশীল পথ** শীৰ্ষক সন্মিলনত দিয়া ভাষণত তেঁও এইদৰে কয়। তেওঁ লগতে ফৌজদাৰী ন্যায় ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰি কয় যে, এনে ধৰণৰ ব্যৱস্থাসমূহ ঔপনিবেশিক শাসকসকলে প্ৰৱৰ্তক কৰিছিল আৰু ইয়াত ভাৰতীয় নীতি আৰু স্বকীয়তাৰ অভাৱ দেখা গৈছিল। বৃটিছসকলে এনে ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল যদিও বৰ্তমান চৰকাৰে জনসাধাৰণক ন্যায় প্ৰদানৰ প্ৰয়াস চলাইছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত চিকিম উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিশ্বনাথ চমাদ্দাৰ, আইন আয়োগৰ সদস্য সচিব ৰীতা বশিষ্ঠ, উচ্চতম ন্যায়ালয়ৰ বিচাৰপতি ঋষিকেশ ৰয় আৰু মুখ্য সচিব ৰবি কোটায়েও ভাষণ প্ৰদান কৰে। ০০০০

০০০০০০০

চেণ্ট্ৰেল ব'ৰ্ড অব ছেকেণ্ডাৰী এডুকেশ্যন চমুকৈ চি বি এছ ইয়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল যোৱা ১৩ মে'ত ঘোষণা কৰে। চি বি এছ ইয়ে প্ৰকাশ কৰা তথ্য অনুসৰি দশম শ্ৰেণীৰ পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ ৯৩ দশমিক ৬-০ শতাংশ। ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ৯৪ দশমিক ৭-৫ শতাংশ হোৱাৰ বিপৰীতে ছাত্ৰৰ উত্তীৰ্ণ হাৰ ৯২ দশমিক ৭-১ শতাংশ। চি বি এছ ইৰ দশম শ্ৰেণীৰ ফলাফলত উত্তীৰ্ণ হাৰ বিগত বৰ্ষতকৈ শূন্য দশমিক ৪-৮ শতাংশ বৃদ্ধি পাইছে। আনহাতে দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ ৮৭ দশমিক ৯-৮ শতাংশ। এই হাৰ যোৱা বছৰতকৈ দশমিক ৬-৫ শতাংশ বৃদ্ধি পোৱা বুলি ব'ৰ্ডে এটা বিবৃতি যোগে জনাইছে।

০০০০

নাগৰিকত্ব সংশোধনী নিয়ম ২০২৪ৰ অধীনত যোৱা ১৫ মে'ত প্ৰথম পৰ্যায়ত নাগৰিকত্বৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। কেন্দ্ৰীয় গৃহ সচিব অজয় কুমাৰ ভাল্লাই  নতুন দিল্লীত একাংশ আবেদনকাৰীক নাগৰিকত্বৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। এই নিয়মৰ অধীনত ১৪গৰাকী আবেদনকাৰীক নাগৰিকত্ব প্ৰদানৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে। শ্ৰীভাল্লাই আবেদনকাৰীসকলক অভিনন্দন জ্ঞাপন কৰি চলিত বছৰৰ যোৱা ১১ মাৰ্চত অধিসূচনা জাৰি

কৰা নাগৰিকত্ব সংশোধনী নিয়মাৱলী সন্দৰ্ভত আলোকপাত কৰে। এই নিয়মৰ অধীনত পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানৰ পৰা ভাৰতলৈ অহা হিন্দু, শিখ, জৈন, বৌদ্ধ, পাৰ্চি আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকসকলৰ নাগৰিকত্বৰ আবেদন গ্ৰহণ কৰা হৈছিল।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত যোৱা ১৬ মে'ত গঁড়ৰ চোৰাং চিকাৰ বিৰোধী টাস্ক ফ'ৰ্চৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্যৰ বিশেষ সঞ্চালকপ্ৰধান হৰমিত সিঙৰ লগতে আৰক্ষীৰ কেইবাগৰাকী শীৰ্ষ বিষয়া, ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক, মাণ্ডলিক বন বিষয়া আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে। এই বৈঠকত গঁড়ৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰি থকা ব্যৱস্থা, বন বিভাগ আৰু আৰক্ষী সমন্বিত কাৰ্যকলাপ তথা বন সুৰক্ষা বাহিনীৰ নিয়োগ আৰু সবলীকৰণৰ লগতে চোৰাংচোৰাৰ নেটৱৰ্ক শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰা হয়। টাস্ক ফ'ৰ্চে লগতে চোৰাং চিকাৰী বিৰোধী পদক্ষেপ শক্তিশালী কৰাৰ লক্ষ্যৰে গঠিত সমিতিত বিশেষ সঞ্চালকপ্ৰধান, নগাঁও, গোলাঘাট, যোৰহাটৰ মাণ্ডলিক বিষয়া আৰু অসম বন সুৰক্ষা বাহিনীৰ কামাণ্ডেণ্টক অতিৰিক্ত সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

oooo

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহত চমু অৱলোকন।

oooo

ঃঃ সমাপ্ত ঃঃ